**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

১।  অসমৰ বাচকবনীয়া মুগা শিল্পৰ প্ৰসাৰ বিকাশৰ উদ্দেশ্যে আৰম্ভ হোৱা চেনেহজৰী শীৰ্ষক মুগা অভিযানে ৰাজ্যৰ আঢ়ৈ লাখ হিতাধিকাৰীক উপকৃত কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।
২।  খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।
৩।  কংগ্ৰেছ বিধায়িনী দলৰ দলপতি ৰাজেদ আলী চৌধুৰীলৈ আনুষ্ঠানিকভাৱে অসম বিধানসভাৰ বিৰোধী দলপতিৰ মৰ্যাদা।
৪।  ৬৪ কোটি টকা ব্যয়ৰে গোলাঘাট জিলাত শীঘ্ৰেই অসমৰ প্ৰথমটো অগৰ উদ্যোগ স্থাপনৰ প্ৰস্তুতি। *আৰু*
৫।  ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ পি ভি সিন্ধুৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত অসমৰ বাচকবনীয়া মুগা শিল্পৰ প্ৰসাৰ আৰু এই শিল্পৰ বিকাশৰ বাবে ৪১১ কোটি টকা ব্যয়সাপেক্ষ চেনেহজৰী শীৰ্ষক মুগা অভিযানৰ শুভাৰম্ভ কৰে। এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ ২ লাখ ৫০ হাজাৰ হিতাধিকাৰীক উপকৃত কৰিব। শুভাৰম্ভ অনুষ্ঠানত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকে। অসমৰ মুগা শিল্পক গোলকীয় ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা এই অভিযানৰ অধীনত মুগা ৰেচমৰ ৰপ্তানি দুহেজাৰ কিলোগ্ৰামতকৈও অধিক, মুগা সূতাৰ মূল্য প্ৰতি কিলোগ্ৰামত ৩০ৰ পৰা ৪৫ হাজাৰ টকালৈ বৃদ্ধি, পাঁচটা আধুনিক ৰিলিং ইউনিট তথা বিশেষ মুগা সূতা কটা মিল স্থাপন আৰু পাঁচ হাজাৰ হেক্টৰ ভূমিত চোম আৰু সোঁৱালু গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই উপলক্ষে ড° শৰ্মাই কয় যে এই অভিযানে ৰাজ্যৰ হাজাৰ হাজাৰ কৃষক, শিপিনী আৰু শিল্পীৰ জীৱন-জীৱিকা সুৰক্ষিত কৰিব আৰু এহেজাৰ ১৮০টা কৃষক ইণ্টাৰেষ্ট গোট আৰু ৩০টা কৃষক উৎপাদন সংস্থা গঠনেৰে মুগা উৎপাদন আৰু শিপিনীসকলক আৰ্থিকভাৱে সবল কৰি তুলিবলৈ চেষ্টা কৰা হ'ব। অসমৰ যুগমীয়া মুগা শিল্পক বিশ্ব বজাৰত বিশ্বাসযোগ্য আৰু অভিলাষী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ শিপিনীসকলক ডিজিটেল ব্যৱস্থাৰ সৈতে সুসংঘবদ্ধ কৰা আৰু বিশ্বৰ ক্ৰেতাসকলৰ বাবে মান নিশ্চিত কৰাত সহায়ক হোৱাকৈ জি আই প্ৰমাণিকৰণত মনোনিবেশ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত ড'নাৰ মন্ত্ৰী শ্ৰীসিন্ধিয়াই কয়, যে এঘাৰটা উপাদান সন্নিবিষ্ট এই অভিযানৰ মাধ্যমেৰে মুগা পালক, হস্তশিল্পী, বস্ত্ৰশিল্পী আৰু স্থানীয় ব্যৱসায়ীসকলক ন্যায্য প্ৰাপ্য দিয়াৰ লগতে আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ মুগা শিল্পক সন্মান সহকাৰে লৈ যোৱা হ'ব। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ কৰি অসমৰ কৃষি আন্তঃগাথনি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে। আলোচনাকালত কৃষি আন্তঃগাঁথনি পুঁজি অধিক ব্যৱহাৰ, শীতলীকৃত সংৰক্ষণ ব্যৱস্থা, উন্নত বজাৰ সংযোগ, যান্ত্ৰিক কৃষি পদ্ধতি আৰু শক্তিশালী যোগান শৃংখলা গঢ়ি তোলা বিষয়ত আলোচনা কৰা হয়। অসমৰ কৃষকসকলে যাতে এই উন্নত সুবিধাসমূহ লাভ কৰিব পাৰে সেই বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় কৃষিমন্ত্ৰীগৰাকীৰ সহযোগিতা বিচাৰে।

**বাইট-মুখ্যমন্ত্ৰী**

আলোচনাকালত ৰাজ্যখনত কৃষক কল্যানমূলক আঁচনিসমূহৰ তৃণমূল পৰ্যায়ত ফলপ্ৰসূ ৰূপায়ণ আৰু লাখপতি বাউদেউ আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়।

০০০০০০

গুৱাহাটীৰ খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। সেইদিনা দিনৰ ১২ বাজি ৪৫ মিনিটত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰিবলগীয়া বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। অৱশ্যে মন্ত্ৰীসভাত কোন বিধায়কে স্থান লাভ কৰিব সেই বিষয়ে কোনো তথ্য সদৰি কৰা হোৱা নাই। উল্লেখযোগ্য যে যোৱা ১২ মে'ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ৰামেশ্বৰ তেলী, অতুল বৰা, অজন্তা নেওগ আৰু চৰণ বড়োৱে মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। মন্ত্ৰীসভা গঠন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে মিলিত হৈছে।

০০০০০০

কংগ্ৰেছ বিধায়িনী দলৰ দলপতি ৱাজেদ আলী চৌধুৰীক আনুষ্ঠানিকভাৱে অসম বিধানসভাৰ বিৰোধী দলপতিৰ মৰ্যাদা প্ৰদান কৰা হৈছে। অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে এখন পত্ৰযোগে শ্ৰীচৌধুৰীক এই মৰ্যাদা প্ৰদান কৰে। বিৰোধী দলপতি হিচাপে ৱাজেদ আলী চৌধুৰীয়ে কাৰ্যালয়ৰ দায়িত্বভাৰ গ্ৰহণ কৰিব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

০০০০০০

গোলাঘাট জিলাত শীঘ্ৰেই অসমৰ প্ৰথমটো অগৰ উদ্যোগ স্থাপন কৰা হ'ব। ড'নাৰ মন্ত্ৰালয় আৰু উত্তৰ-পূব আঞ্চলিক কৃষি বিপণন নিগম লিমিটেড চমুকৈ নেৰামেকৰ সহযোগত পাইলট প্ৰকল্প হিচাপে ৬৪ কোটি টকা ব্যয়ৰে এই উদ্যোগ নিৰ্মাণ কৰা হ'ব। এই প্ৰকল্পত প্ৰত্যক্ষভাৱে প্ৰায় ৭ হাজাৰ যুৱক-যুৱতীয়ে কৰ্ম সংস্থাপন লাভ কৰাৰ সম্ভাৱনা আছে। এই প্ৰকল্পৰ বাবে শিক্ষিত যুৱক-যুৱতীসকলক এবছৰীয়া বিশেষ কাৰিকৰী প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই উদ্যোগে অগৰ বা সাঁচি গছৰ ব্যৱসায়ৰ সৈতে জড়িত লোকসকলৰ বাবে আশাৰ বতৰা কঢ়িয়াই আনিছে।

০০০০০০

অহা ৫ জুনত বিশ্ব পৰিৱেশ দিৱস উদযাপনৰ বাবে ৰাজ্যৰ বিভিন্ন জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। সৰুপথাৰত বন বিভাগৰ সহযোগত পৰহিলৈৰ পৰা ১৭ জুনলৈকে ৫ লাখ গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ লক্ষ্য লৈ এই অভিযান আৰম্ভ কৰা হ'ব। অভিযানকালত মেহগনিকে ধৰি বিভিন্ন মূল্যৱান গছৰ পুলি ৰোপণ কৰা হ'ব বুলি তেওঁ কয়। তদুপৰি উৰিয়ামঘাটৰ হাতীডুবিৰ ১০০ বিঘা ভূমিত জুবিন গাৰ্গ নাহৰ উদ্যান গঢ়ি তোলা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। এই অভিযান সন্দৰ্ভত বিধায়কগৰাকীয়ে এইদৰে কয়—

**বাইট (বিশ্বজিৎ ফুকন)**

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে দৰং জিলাৰ মঙলদৈ, খাৰুপেটীয়া আৰু ছিপাঝাৰ পৌৰ সভাই নিজ নিজ এলেকাত সজাগতা সভা, চাফাই অভিযান, আৱৰ্জনা ব্যৱস্থাপনা আৰু গছপুলি ৰোপণকে ধৰি কেইবাটাও কাৰ্যসূচী ৰূপায়ণৰ বাবে সাজু হৈছে। এই কাৰ্যসূচীসমূহৰ জৰিয়তে পৰিৱেশ সংৰক্ষণ, বহনক্ষম আৱৰ্জনা ব্যৱস্থাপনা আৰু জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণৰ প্ৰতি পৌৰসভাসমূহৰ দায়বদ্ধতা নিশ্চিত কৰিব।

উল্লেখযোগ্য যে পৰহিলৈ বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যখনত প্ৰায় এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাক এই অভিযানৰ সৈতে জড়িত

কৰোৱা হ'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, বনাঞ্চল উদ্ধাৰ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ লৈছে।

০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া অহা ৮ জুনত আৰম্ভ হ'ব। বিচাৰৰ প্ৰথম দিনটোতে আদালতে ৪ জন সাক্ষীক তলব কৰিছে। আদালতে গোচৰ সংক্ৰান্তত মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এজাহাৰ দাখিল কৰা ৰাতুল বৰা, মৰিগাঁৱৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়া, আৰু আৰক্ষী পৰিদৰ্শক ভাস্কৰ বৰ্মনক ৮ জুনত আদালতত হাজিৰ হৈ সাক্ষ্য দিবলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে ফাষ্টট্ৰেক আদালতে যোৱা ২৬ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপ কৰিছিল। ৮ জুনৰ পৰা ফাষ্টট্ৰেক আদালতত দৈনিক বিচাৰ প্ৰক্ৰিয়া চলিব।

০০০০০০

গোলাঘাট জিলাৰ মেৰাপানী আৰু বৃহত্তৰ দৈয়াং অঞ্চলত কৃষকে সন্মুীখন হোৱা অৱস্থা সন্দৰ্ভত কালি কৃষি বিভাগৰ এটা দলে অঞ্চলটোত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। উল্লেখযোগ্য যে অঞ্চলটোত বিলাহীৰ মূল্য প্ৰতি কিলোগ্ৰামত এটকা-দুটকালৈ হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত কৃষকসকলে উৎপাদিত বিলাহী পথাৰত পেলাই দিবলৈ বাধ্য হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। কৃষকে সন্মুখীন হোৱা লোকচান, নায্য মূল্য আৰু স্থায়ী বজাৰ ব্যৱস্থাৰ দাবীত কৃষক প্ৰতিনিধি দলে জিলা কৃষি বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। ইয়াৰ পাছতে কৃষি উন্নয়ন বিষয়া উৰ্মি ফুকনৰ নেতৃত্বত কৃষি বিভাগৰ এটা দলে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ ভ্ৰমণ কৰি ক্ষেত্ৰভিত্তিক পৰিদৰ্শন আৰু জৰীপৰ কাম আৰম্ভ কৰিছে। ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰূপণ কৰি ক্ষতিপূৰণৰ ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত জৰীপ গুৰুত্বপূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

০০০০০০

ডিব্ৰুগড়ৰ খনিকৰত পুনৰ নিৰ্মাণ কৰি উলিওৱা মহাত্মা গান্ধী শিশু উদ্যানখন কালি বিধায়ক তথা ভূতপূৰ্ব কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে আনুষ্ঠানিকভাৱে মুকলি কৰে। শিশু উদ্যানখন সু-পৰিকল্পিত আৰু আধুনিক ৰূপত পুনৰ নিৰ্মাণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিকাশমূলক আঁচনিৰ অধীনত প্ৰায় ৩ কোটি টকা ব্যয়েৰে এই প্ৰকল্প ৰূপায়ন কৰা হৈছে। উদ্যানখন মুকলি কৰি প্ৰশান্ত ফুকনে কয়, যে এই উদ্যানখন ডিব্ৰুগড় চহৰৰ সৌন্দৰ্য বৰ্ধনৰ লগতে ডিব্ৰুগড়বাসীৰ বাবে মনোৰম বিনোদনস্থলী হিচাপে গঢ় লৈ উঠিব। বিধায়ক ফুকনে লগতে কয়, যে ৰাজ্যখনৰ দ্বিতীয় ৰাজধানী  ডিব্ৰুগড় মহানগৰক অধিক সুন্দৰকৈ গঢ়ি তোলাৰ বাবে প্ৰচেষ্টা অব্যাহত থাকিব। উদ্যানখনৰ উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰকে ধৰি বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে ডিব্ৰুগড়ত ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰ বিধানসভা ভৱনকে ধৰি উচ্চপদস্থ বিষয়াৰ কাৰ্যালয় নিৰ্মাণ চলি আছে।

০০০০০০

ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে বিভিন্ন জিলাত প্ৰশিক্ষণ কাৰ্যসূচী চলি আছে। **মাজুলী** জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি লোকপিয়ল ২০২৭ৰ গৃহ তালিকাভুক্তি আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ হয়। জিলা আয়ুক্ত সৃষ্টি সিংহৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী কাৰ্যসূচীত জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াৰ লগতে লোকপিয়লৰ লগত জড়িত বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। লোকপিয়ল বিভাগৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ মুখ্য প্ৰশিক্ষক তথা যুটীয়া সঞ্চালক বিকাশ নাথ আৰু ডি পি এ নাঞ্জু ইংলেণ্ডে ডিজিটেল গণনা আৰু তথ্য সংগ্ৰহ পদ্ধতি সম্পৰ্কে বিস্তৃত প্ৰশিক্ষণ প্ৰদান কৰে। উল্লেখযোগ্য যে দেশত প্ৰথমবাৰৰ বাবে ডিজিটেল আহিলা আৰু অনলাইন মঞ্চৰ জৰিয়তে এই লোকপিয়ল সম্পন্ন হ'ব। ২ আগষ্টৰ পৰা নাগৰিকৰ বাবে স্ব-পিয়ল আৰু ১৭ আগষ্টৰ পৰা আনুষ্ঠানিক গৃহ তালিকাভুক্তি আৰম্ভ হ'ব। মূল জনসংখ্যা পিয়ল অহা বছৰৰ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব।

ডিব্ৰুগড় জিলাত সোমবাৰে অনুষ্ঠিত প্ৰশিক্ষণত জিলাখনৰ সম-জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, ৰাজহ চক্ৰ বিষয়াকে ধৰি অন্যান্য বিষয়াসকলে অংশগ্ৰহণ কৰে।

নগাঁও জিলা পৰিষদৰ কাৰ্যালয়ৰ সভাকক্ষত কালি লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকাভুক্তি আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অতিৰিক্ত জিলা আয়ুক্ত সহকাৰী আয়ুক্ত, চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া প্ৰমুখ্যে চৰকাৰী বিষয়াসকল উপস্থিত থাকে। আজি আৰু অহা ৮ জুনত হ'বলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীত তথ্য সংগ্ৰহ পদ্ধতি, ডিজিটেল গণনা আৰু প্ৰয়োজনীয় সমন্বয় ব্যৱস্থাৰ ওপৰত বিশদ আলোচনা কৰা হ'ব।

চিৰাং জিলাতো সোমবাৰৰ পৰা আসন্ন লোকপিয়লৰ বাবে তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। চিৰাং জিলাক ছটা লোকপিয়ল কেন্দ্ৰত বিভক্ত কৰা হৈছে। ইয়াৰে বিজনী, ছিদলী আৰু বেংতলে গ্ৰামাঞ্চলক সামৰি লোৱাৰ বিপৰীতে বিজনী, বাসুগাঁও আৰু কাজলগাঁৱে চহৰ অঞ্চলক সামৰি লৈছে। চিৰাং জিলাৰ আয়ুক্ত মধুসূধন নাথে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত ২০২৭ বৰ্ষৰ লোকপিয়লৰ চৰকাৰী শুভংকৰ প্ৰতীক **প্ৰগতি আৰু বিকাশ** উন্মোচন কৰে।

উল্লেখযোগ্য যে ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

০০০০০০

ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ পি ভি সিন্ধুৱে নিজৰ প্ৰথমখন খেলত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। অৱশ্যে পুৰুষৰ ছিংগলছৰ শাখাত ভাৰতৰ লক্ষ্য সেন প্ৰথম ৰাউণ্ডতে পৰাজিত হ'বলগীয়া হয়। পুৰুষৰ ছিংগলছত আজি এইচ এছ প্ৰণয়ে আয়াৰলেণ্ডৰ খেলুৱৈৰ বিৰুদ্ধে আৰু আয়ুষ ছেট্টীয়ে চীনৰ খেলুৱৈৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে, পুৰুষৰ ডাবলছত ভাৰতৰ সাত্বিক ছাইৰাজ ৰণকীৰেড্ডি আৰু ছিৰাগ ছেট্টীৰ যুটীটোৱে মালয়েছিয়াৰ যুটীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। মিক্সড ডাবলছত ৰোহণ কাপুৰ আৰু ৰুত্বিকা শিৱানীৰ যুটীটোৱে টাইৱানৰ যুটীৰ বিৰুদ্ধে খেলিব।

০০০০০০

চি বি এছ ই পৰীক্ষাত অন্তহীন বেমেজালি, ৰাজ্যত মিছন চেনেহজৰীৰ শুভাৰম্ভ, ৮ জুনৰ পৰা জুবিন গাৰ্গ হত্যাৰ বিচাৰ প্ৰক্ৰিয়া, ৫ জুনত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ, ব্যাপক আয়োজন দিছপুৰত আদি বিভিন্ন বাতৰি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

মুগাক বিশ্ব দৰবাৰলৈ নিয়াৰ লক্ষ্যৰে কালি ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই **চেনেহজৰী** শীৰ্ষক অভিযান শুভাৰম্ভ কৰাৰ বাতৰি নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি, দি আছাম ট্ৰিবিউন আদি প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অহা ৫ জুনত নতুন অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ'ব। বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

আন্তঃদেশীয় নদীত বান্ধ বন্ধাৰ অঘোষিত প্ৰতিযোগিতাই দক্ষিণ এছিয়ালৈ বিপদ কঢ়িয়াই আনিছে বুলি এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ কৰিছে দৈনিক অগ্ৰদূত কাকতে।

অসমৰ ফল-মূলত নিষিদ্ধ কাৰ্বাৰিল কীটনাশক, ন্যায়ালয়ে নমুনা পৰীক্ষাৰ বাবে নিৰ্দেশ দিয়াৰ পাছতো খাদ্য সুৰক্ষা আৰু কৃষি বিভাগে নিজৰ দায়িত্ব পালনত ব্যৰ্থ হোৱাৰ বাতৰি দৈনিক অসম কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

চলিত বৰ্ষৰ চি বি এছ ইৰ দ্বাদশ শ্ৰেণীৰ ফলাফলত ব্যাপক বিসংগতি পোহৰলৈ অহাৰ পাছত চি বি এছ ইৰ অধ্যক্ষ আৰু সচিবক অপসাৰিত কৰাৰ বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**অসমত অকল্পনীয় হাৰত বৃদ্ধি ডায়েবেটিছ-উচ্চ ৰক্তচাপ** এই শীৰ্ষক এটা বিশেষ বাতৰি প্ৰকাশ কৰিছে অসমীয়া খবৰ কাকতখনে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাৰত-বাংলাদেশ সীমান্ত পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে ত্ৰিপুৰালৈ আহিব। বাতৰিটো দা ছেণ্টিনেল কাকতৰ।

যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ে দুটাকৈ ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰাৰ এটা বাতৰি দৈনিক জনমভূমি কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ডিব্ৰুগড়ৰ জালান আউটড'ৰ ষ্টেডিয়ামৰ সৰ্বানন্দ সোণোৱাল ক্ৰীড়া প্ৰকল্পত কাইলৈৰ পৰা চতুৰ্থ লিবাৰ্টি কাপ মহিলা টী-২০ প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এমপাৱাৰ এন জি অ' আৰু এইচ এম স্প'ৰ্টছ ক্লাবৰ উদ্যোগত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ লক্ষ্য হৈছে – মহিলা ক্ৰিকেটৰ প্ৰচাৰ, প্ৰসাৰ আৰু জিলাখনত মহিলা খেলুৱৈসকলৰ বাবে প্ৰতিযোগিতাৰ এখন মঞ্চ প্ৰদান।

০০০০০০

বিধায়ক অখিল গগৈৰ মাতৃ প্ৰিয়দা গগৈৰ আজি পুৱা ৬ বাজি ২০ মিনিটত গুৱাহাটীৰ বাসগৃহত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা প্ৰিয়দা গগৈৰ মৃত্যুৰ সময়ত বয়স আছিল ৯৬ বছৰ। শেষকৃত্যৰ বাবে প্ৰিয়দা গগৈৰ নশ্বৰ দেহ যোৰহাটৰ চেলেংহাটৰ ঘৰলৈ লৈ যোৱা হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**